# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 31-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১। বিশ্বনাথ জিলাত মুখ্যমন্ত্ৰীৰ ১৪০ কোটি ৬৯ লাখ টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি। গোৱালপাৰা আৰু কামৰূপৰ ৩৩টা পৰিষদীয় সমষ্টিত পৰহিলৈ ভোটগ্ৰহণ।

৩। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ওপজা দিনটো আজি ৰাজ্যজুৰি ছাত্ৰ দিৱস হিচাপে উদযাপন। জনগোষ্ঠীয় সংগ্ৰহালয় গঢ়ি তোলা হ'ব বুলি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ প্ৰকাশ।

৪। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যতো আজি উলহ-মালহেৰে পৱিত্ৰ ঈদ-উল-ফিতৰ উদযাপন।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

০০০০০

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বহুমুখী বিকাশৰ কাৰ্যসূচীৰ অংশ  হিচাপে আজি বিশ্বনাথ জিলাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও অভিলাষী প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে জিলাখনত ১৪০ কোটি ৬৯ লাখ টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে ২০২২ চনৰ ১০ ডিচেম্বৰত আধাৰশিলা স্থাপন কৰা আৱৰ্তভৱনৰ আজি উদ্বোধন কৰে।

মুখ্যমন্ত্ৰীয়ে আজি মুকলি কৰা ১৫ কোটি ৫৭ লাখ টকা ব্যয়ৰে নিৰ্মিত বিশ্বনাথৰ স্বয়ংক্ৰিয় যান-বাহন উপযোগীতা পৰীক্ষা কেন্দ্ৰটো  দক্ষিণ-পূব এছিয়াৰ প্ৰথমটো এনে ধৰণৰ কেন্দ্ৰ আৰু যোৰহাটত শীঘ্ৰেই আন এটা কেন্দ্ৰ মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। বিশ্বনাথৰ এই কেন্দ্ৰটোৱে জিলাখনৰ লগতে শোণিতপুৰ আৰু লখিমপুৰ জিলাৰ বাবে সেৱা আগবঢ়াব। ইয়াৰ ফলত জিলাকেইখনত মেনুৱেল ফিটনেছ পৰীক্ষা সম্পূৰ্ণৰূপে নোহোৱা হ'ব। ৰূপান্তৰমুখী এই পদক্ষেপে গাড়ীৰ গৰাকীসকলক সহায় কৰিব বুলিও ডঃ শৰ্মাই মন্তব্য কৰে।

ডঃ শৰ্মাই আজি কেন্দ্ৰটো উদ্বোধনৰ পাছত পৰিবহন বিভাগ আৰু কেন্দ্ৰৰ পৰিচালনাৰ দায়িত্বত থকা কোম্পানীটোৰ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। এক কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা জনজাতীয় জিৰণি গৃহ আৰু অতিৰিক্ত সহকাৰী আয়ুক্তৰ আবাসগৃহটো উদ্বোধন কৰে। ৯১ লাখ টকা ব্যয়ৰে এই গৃহটো নিৰ্মাণ কৰা হৈছে। ডঃ শৰ্মাই বিধানসভা সমষ্টিসমূহত স্থাপন কৰিবলগীয়া ড্ৰাইভিং স্কুলৰ বিষয়ে সাংবাদিকক জানিবলৈ দিয়ে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

দুদিনীয়া ভ্ৰমণসূচীৰে বিশ্বনাথত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে আজি বিশ্বনাথ ঘাটৰ পৰা ওমা টুমনি নদী দ্বীপ সংযোগী ৰজ্জু পথ নিৰ্মাণৰ ভূমিপূজন আৰু আধাৰশিলা স্থাপন কৰে। ৰাজ্যৰ অন্যতম পৰ্যটন কেন্দ্ৰ গুপ্তকাশী হিচাপে জনাজাত এই দ্বীপটোলৈ যাত্ৰা সুগম কৰাৰ বাবে ৫৮ কোটি ৮১ লাখ টকা ব্যয়ৰে এই প্ৰকল্প সম্পূৰ্ণ কৰা হ'ব। অহা মাহৰ প্ৰথম সপ্তাহত এই প্ৰকল্পৰ কাম আৰম্ভ হ'ব আৰু দুবছৰৰ ভিতৰত এই কাম সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

ডঃ শৰ্মাই বিশ্বনাথৰ বৰগাওঁৰ ধেমাজিবাৰীত নতুন ঔদ্যোগীক পামৰ আধাৰশিলাও স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে বৰঙাবাৰীৰ ছহিদ কনকলতা বৰুৱাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি তৰ্পণ কৰাৰ পাছতে জি এম এম বিদ্যালয় আৰু পেৰামেডিকেল প্ৰতিষ্ঠান মুকলি কৰে। ই অনুষ্ঠানৰ পাছতে সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে অহা ৫ এপ্ৰিলৰ পূৰ্বে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণাৰ সম্ভাৱনাৰ কথা প্ৰকাশ কৰে।

০০০০০

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৩ বজাত সামৰণি পৰিছে। গোৱালপাৰা আৰু কামৰূপৰ ৩৩টা পৰিষদীয় সমষ্টিত অহা ২ এপ্ৰিলত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে বিজেপি, মিত্ৰদল অসম গণ পৰিষদ আৰু ৰাভা হাচং যৌথ সংগ্ৰাম সমিতিয়ে আজিও ব্যাপক প্ৰচাৰ চলায়। জলসম্পদ মন্ত্ৰী তথা বিজেপিৰ নেতা পীযুষ হাজৰিকাই আজি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। শ্ৰী হাজৰিকাই বামুণীগাঁও পৰিষদীয় সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী অজিত ৰাভা, বোন্দাপাৰা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী মেঘালী ৰাভা আৰু গোৰৰ্ধন পৰিষদৰ জ্যোতিষ চন্দ্ৰ ৰাভাৰ হৈ প্ৰচাৰ চলায়। আজি প্ৰচাৰ অভিযানৰ অন্তিম দিনা কংগ্ৰেছ দল আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলেও প্ৰচাৰ তীব্ৰতৰ কৰি তোলে। তৃণমূল কংগ্ৰেছ দলেও আজি নিজৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

গোৱালপাৰা জিলাত ১৯টা আৰু কামৰূপ জিলাত ১৪টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। পৰিষদৰ তিনিখন আসনত এন ডি এৰ প্ৰাৰ্থী তিনিগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। ৩৩ খন আসনৰ বাবে ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে পৰিষদৰ মুঠ ৪০ খন আসনৰ ভিতৰত ৪ খনৰ বাবে সদস্য মনোনীত কৰা হয়। পৰিষদীয় সমষ্টিকেইটাত ৪ লাখ ৪৫ হাজাৰ ৫৮৬ গৰাকী ভোটদাতা আছে আৰু ইয়াৰে ২ লাখ ২৯ হাজাৰ ৩৯৪ গৰাকী মহিলা ভোটদাতা। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ওপজা দিনটো আজি ৰাজ্যজুৰি ছাত্ৰ দিৱস হিচাপে উদযাপন কৰা হয়। এই উপলক্ষে ৰাজ্যৰ বিদ্যালয়, মহাবিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে আজি কটন বিশ্ববিদ্যালয়ত আয়োজন কৰা প্ৰথম বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম স্মাৰক বক্তৃতানুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে শান্তিৰ আৰ্হিস্বৰূপ, বড়োলেণ্ডৰ ৰূপান্তৰ আৰু ভৱিষ্যতৰ লক্ষ্য শীৰ্ষক বিষয়ত বক্তৃতা আগবঢ়াই এইদৰে কয়–

**বাইট (প্ৰমোদ বড়ো)**

উপেন্দ্ৰনাথ ব্ৰহ্ম বড়োসকলৰ বাবে অনুপ্ৰেৰণাৰ উৎস বুলি উল্লেখ কৰি বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয়, যে বিটিআৰৰ অন্যান্য ক্ষুদ্ৰ জাতি, জনগোষ্ঠীয়ে যাতে বৈষম্যৰ বলি হোৱা বুলি নাভাবে তাৰ বাবে বিটিআৰ প্ৰশাসনে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপসমূহৰ ভিতৰত উল্লেখনীয়ভাৱে অঞ্চলটোৰ প্ৰত্যেকটো জনগোষ্ঠীৰ বাবে ভাষা-সংস্কৃতি সংগ্ৰহালয় গঢ়ি তুলিব বিচৰা হৈছে বুলি মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ বাবে প্ৰতিটো জাতি, জনগোষ্ঠীৰ বাবে ২০ লাখকৈ টকা প্ৰদান কৰা হ'ব। ছাত্ৰ দিৱসৰ সৈতে সংগতি ৰাখি তেওঁ লগতে কটন বিশ্ববিদ্যালয়ত এটা ভাষা গৱেষণাগাৰো মুকলি কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ চন্দ্ৰ ডেকা আৰু নাগালেণ্ড বিশ্ববিদ্যালয় উপাচাৰ্য সমুদ্ৰগুপ্ত কাশ্যপ সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে।

ডিব্ৰুগড় জিলাৰ কানৈ বাণিজ্য মহাবিদ্যালয়তো গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে ছাত্ৰ দিৱস পালন কৰা হয়। ছাত্ৰনেতাগৰাকীৰ সোঁৱৰণত আয়োজিত ছাত্ৰ দিৱসৰ মুকলি সভাত ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে প্ৰয়াত ব্ৰহ্মৰ আদৰ্শৰাজী উল্লেখ কৰাৰ লগতে সমাজত ইতিবাচক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত এগৰাকী সফল ছাত্ৰনেতা হিচাপে নিজৰ দক্ষতা আৰু প্ৰতিভাৰ প্ৰমাণ কৰিবলৈ সমৰ্থ হোৱাৰ কথা উল্লেখ কৰে। অধ্যক্ষগৰাকীয়ে ব্ৰহ্মৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ মহাবিদ্যালয়খনৰ শিক্ষাৰ্থী তথা শিক্ষক আৰু কৰ্মচাৰীকসকলক সামূহিক উন্নয়নৰ স্বাৰ্থত কাম কৰি যাবলৈ আহ্বান জনায়।

ইপিনে নিখিল বড়ো ছাত্ৰ সন্থাই কোকৰাঝাৰ জিলাৰ দতমাস্থিত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ সমাধিস্থলীৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

তামুলপুৰ জিলাৰ গোৰেশ্বৰতো আজি ছাত্ৰ দিৱস পালন কৰা হয়। নিখিল বড়ো ছাত্ৰ সন্থাৰ তামুলপুৰ জিলা সমিতি আৰু শুক্লাই ছেৰফাং আঞ্চলিক সমিতিৰ উদ্যোগত সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত আয়োজিত কাৰ্যসূচীত বিটিআৰৰ কাৰ্যবাহী সদস্য ৰনেন্দ্ৰ নাৰ্জাৰী, গায়িকা সুলেখা বসুমতাৰী, অভিনেতা ফৈলাজে বৰগয়াৰীকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

উল্লেখযোগ্য যে দূৰদৰ্শী আৰু প্ৰতিভাসম্পন্ন উপেন্দ্ৰনাথ ব্ৰহ্মই পদাৰ্থ বিদ্যাত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত কৰ পৰিদৰ্শকৰ চাকৰি ত্যাগ কৰি বড়ো জনগোষ্ঠীয় আন্দোলনক নেতৃত্ব দিছিল। জনগোষ্ঠীটোৰ আশা-আকাংক্ষা আৰু সমস্যাসমূহ দূৰ কৰাৰ বাবে তেওঁ গণতান্ত্ৰিক পন্থাৰে প্ৰয়াস চলাইছিল।

০০০০০

বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যতো আজি উলহ-মালহেৰে পৱিত্ৰ ঈদ-উল-ফিতৰ উদযাপন কৰা হৈছে। দিনৰ ভাগত বিশ্ব শান্তি আৰু ভাতৃত্ববোধৰ কামনাৰে ইছলামধৰ্মী লোকসকলে সমূহীয়া নামাজত অংশ লয়। ঈদ উপলক্ষে ৰাজ্যৰ মছজিদ আৰু ঈদগাহসমূহ আটকধুনীয়াকৈ সজাই তোলা হৈছে। লগতে অতিথিক আপ্যায়নৰ বাবে ইছলামধৰ্মী লোকসকলে ঘৰে ঘৰে সুস্বাদু খাদ্য সম্ভাৰ প্ৰস্তুত কৰিছে।

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে শিৱসাগৰ জিলাৰো ঈদগাহ আৰু মছজিদসমূহত ইছলামধৰ্মী লোকসকলে সমূহীয়া নামাজ পঢ়ি ইজনে সিজনক শুভেচ্ছা জ্ঞাপন কৰে। জিলাখনৰ ৰংঘৰ চাৰিআলি, দৰবাৰ খেলপথাৰ, জেওনিকটীয়া, ষ্টেচন চাৰিআলি আদি অঞ্চলত শান্তিপূৰ্ণভাৱে ঈদ পালন কৰা হয়। উজনি অসমৰ লখিমপুৰ, তিনিচুকীয়া, ডিব্ৰুগড়, যোৰহাট, গোলাঘাট আদি জিলাতো আজি উলহ-মালহেৰে ঈদৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

বৰপেটা জিলাতো আজি পুৱাৰ ভাগত সমূহীয়া নামাজ আদায় কৰা হয়। জিলাখনৰ ভেল্লা, কলগাছিয়া, হাউলী, মল্লিয়া, কয়াকুছি আদি অঞ্চলত অনুষ্ঠিত ঈদৰ সমূহীয়া নামাজত হাজাৰ হাজাৰ ইছলামধৰ্মী লোকে অংশগ্ৰহণ কৰে।

বৰাক উপত্যকাৰ জিলা কেইখনতো ঈদ-উল-ফিতৰ উপলক্ষে উছৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। কাছাৰ আৰু শ্ৰীভূমি জিলাতো আজি উৎসৱমুখৰ পৰিৱেশৰ মাজেৰে জনসাধাৰণে ঈদ উদযাপন কৰে। শ্ৰীভূমি জিলাত নামাজৰ লগতে শিশুসকলৰ বাবে সাংস্কৃতিক অনুষ্ঠান, কিৰাট আৰু আবৃত্তি অনুষ্ঠানৰো আয়োজন কৰা হয়। কাছাৰ জিলাতো ইছলামধৰ্মী লোকসকলে উৎসাহ-উদ্দীপনাৰে ঈদ-উল-ফিতৰ উদযাপন কৰিছে। ইপিনে ধুবুৰী, গোৱালপাৰাকে ধৰি অন্যান্য জিলাসমূহতো ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ঈদ উদযাপন কৰা হৈছে।

ooooo

কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত স্পিক মেকী নামৰ সংস্থাৰ উদ্যোগত আজি পদ্ম বিভূষণ সন্মানেৰে সন্মানিত পণ্ডিত হৰিপ্ৰসাদ চৌৰাচিয়াৰ বাঁহী বাদন অনুষ্ঠানৰ আয়োজন কৰা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই অনুষ্ঠানৰ উদ্বোধন কৰি পণ্ডিতগৰাকীক প্ৰতিভাৰ স্ৰোতস্বিনী নদীৰ সৈতে তুলনা কৰে। অনুষ্ঠানত প্ৰসিদ্ধ বাঁহীবাদকগৰাকীৰ সৈতে কেইবাগৰাকীও বিশিষ্ট সংগীতজ্ঞই সংগত কৰে। .............. *(মিউজিক)*

ooooo

গীত আৰু কাব্য সৃষ্টিৰে অসমীয়া সাহিত্য তথা সংগীতক সমৃদ্ধ কৰি থৈ যোৱা যশস্বী কবি-গীতিকাৰ কেশৱ মহন্তৰ আজি স্মৃতি দিৱস উপলক্ষে শ্ৰদ্ধা নিবেদন কৰা হৈছে। গীত-কবিতাৰ লগতে সাংবাদিকতা আৰু শিক্ষাৰ ক্ষেত্ৰলৈও অনবদ্য অৱদান আগবঢ়োৱা মহন্তই ২০০৬ চনৰ আজিৰ দিনটোতে শেষ নিশ্বাস ত্যাগ কৰিছিল। মোৰ শুকান কলিজাত কুঁহিপাত আগন্তককে ধৰি ৮খন কবিতা পুথি, ৯খন অনুবাদ সাহিত্য, মা আমি শদিয়ালৈ যামে আৰু অন্যান্য শিশু সাহিত্য, কমেও ১০খন চলচ্চিত্ৰৰ বাবে গীত ৰচনা কৰা গীতিকাৰ গৰাকীয়ে ৰ'দ জিকিমিকি, মোৰ যে কিমান হেঁপাহ, বুকুত এজাক ধুমুহাকে ধৰি ৫ খন গীতৰ পুথি ৰচনা কৰিছিল। ............ *(মিউজিক)*

আজি তেওঁৰ স্মৃতি দিৱস উপলক্ষে গুণমুগ্ধসকলে তেওঁৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে। মন্ত্ৰী কেশৱ মহন্তই আজি গীতিকাৰগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰি দিয়া এটা বাৰ্তাত কবি-গীতিকাৰ গৰাকীক প্ৰতিগৰাকী অসমীয়াৰ আৱেগস্বৰূপ বুলি অভিহিত কৰে। সমাজৰ নিষ্পেশিত, অৱহেলিতজনৰ মুক্তিৰ বাণীৰে তেওঁ গীত-কবিতা ৰচনা কৰিছিল বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী তথা পাটাছাৰকুছি সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাসে আজি বজালী জিলাত প্ৰায় ৫৭ লাখ টকা ব্যয় সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এটা ডিজিটেল পুঁথিভৰাল উদ্বোধন কৰাৰ লগতে মৰ্কাৰ মিলিত ৰঙালী বিহু সন্মিলনীৰ নৱনিৰ্মিত পুথিভঁৰালো উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ধৰমতলা গাঁৱত দুটা গ্ৰাম্য পথ উদ্বোধন কৰি সমষ্টিবাসী ৰাইজৰ বাবে উৎসৰ্গা কৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বাতৰি আৰু কেতবোৰ অনুষ্ঠানৰ সময় কিছু সাল-সলনি কৰা হৈছে। ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰূপে গঢ়ি তোলা হ'ব বুলি কৰা ঘোষণা সন্দৰ্ভত নগৰখনৰ নাগৰিকৰ অভিমতৰ ভিত্তিত আকাশবাণী গুৱাহাটী বাতৰি বিভাগে কালি সন্ধিয়া প্ৰচাৰ কৰা বিশেষ সংবাদ চলন্তিকা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আজি নিশা চাৰে ৮ বজাত পুনৰ প্ৰচাৰ কৰিব।

পূৰ্বে সাত বাজি ৫ মিনিটত প্ৰচাৰিত 'জিলাৰ ৰেহৰূপ' অনুষ্ঠান কাইলৈৰ পৰা পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰৰ দিহা কৰা হৈছে। দিনৰ ১০ বজাত প্ৰচাৰিত মুখ্য বাতৰি কাইলৈৰ পৰা ১১ বজাত প্ৰচাৰ কৰা হ'ব। একেদৰে বিবিধ ভাৰতীয়োগে পুৱা ৭ বাজি ২৮ মিনিট আৰু নিশা ৮ বাজি ২৮ মিনিটত প্ৰচাৰিত মুখ্য বাতৰিৰ প্ৰচাৰ কাইলৈৰ পৰা বন্ধ কৰা হ'ব।

০০০০০

**আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ, কলকাতা নাইট ৰাইডাৰছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।**

০০০০০

ডিব্ৰুগড় জিলাৰ মিলন নগৰ নিবাসী, শিশু সাহিত্যিক তথা অনুবাদিকা বিনু শৰ্মাৰ আজি পুৱা নিজা বাসভৱনত মৃত্যু হয়। প্ৰয়াত শৰ্মাই পাঁচখনতকৈ অধিক শিশু আৰু অনুবাদ গ্ৰন্থ ৰচনা কৰি সাহিত্য ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াই থৈ গৈছে। মৃত্যুৰ সময়ত প্ৰয়াত শৰ্মাই স্বামী কমল কুমাৰ শৰ্মা আৰু পুত্ৰ-কন্যাকে ধৰি আত্মীয়-স্বজনক এৰি থৈ গৈছে। ডিব্ৰুগড়ৰ বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত মহিলাগৰাকীৰ মৃত্যুত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ নগেন শইকীয়া, শিশু সাহিত্য সমাজকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে স্থানীয় ৰাইজে সমবেদনা জ্ঞাপন কৰিছে।

০০০০০

সমাপ্ত